# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-11-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

**::::::::::::::::::::::::::::::::**

০০০০০০

গুৱাহাটীৰ সমীপৰ সোণাপুৰৰ টেপেচিয়াত নিৰ্মীয়মান বিজ্ঞান নগৰী অহা বছৰৰ অক্টোবৰৰ ভিতৰত মুকলি কৰাৰ বাবে কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে আজি নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি বিয়লি ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তৰ সৈতে নিৰ্মীয়মান বিজ্ঞান নগৰীৰ কাম-কাজ পৰিদৰ্শন কৰাৰ পাছত ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰাহালয় পৰিষদ, ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ, লোকনিৰ্মাণ গৃহ বিভাগৰ বিষয়া-অভিযন্তা আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ কাৰ্যবাহীৰ সৈতে এখন বৈঠকত মিলিত হৈ এই বিষয়ে প্ৰকাশ কৰে। এই বিজ্ঞান নগৰীৰ নিৰ্মাণৰ কাম-কাজ লেহেমীয়া হোৱাৰ বাবে মন্ত্ৰীগৰাকীয়ে অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ সচিবগৰাকীক ১৫ দিনৰ মূৰে মূৰে বিজ্ঞান নগৰীৰ নিৰ্মাণ কাৰ্য অগ্ৰগতি পৰ্যালোচনা কৰাৰ নিৰ্দেশ দিয়ে। তদুপৰি ইয়াৰ নিৰ্মাণৰ কাৰ্যৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ দিশসমূহ পৰ্যালোচনাৰ বাবে শীঘ্ৰে তেওঁৰ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াক লৈ এখন বৈঠক অনুষ্ঠিত কৰিব বুলিও শ্ৰীশ্বেখাৱটে অৱগত কৰে। অহা বছৰ নৱেম্বৰৰ পৰা বিজ্ঞান নগৰীখন সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰি তুলিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে মন্ত্ৰ্যালয়ৰ লগতে ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদৰ শীৰ্ষ বিষয়া নিৰ্দেশনা জাৰি কৰিব বুলিও উল্লেখ কৰে।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰাহালয় পৰিষদৰ পৃষ্ঠপোষকতাৰে আৰু কলকাতা ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰাহালয় তথা ছায়েন্স চিটীৰ সমপৰ্যায়ৰ হিচাপে এই বিজ্ঞান নগৰী নিৰ্মাণ কৰিবলৈ লোৱা হৈছে।

০০০০০০

অসমৰ ৬টা জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে লোকসভাৰ বিৰোধী দলৰ উপ দলপতি গৌৰৱ গগৈয়ে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে। যোৰহাটৰ সাংসদগৰাকীয়ে অসমৰ আদিৱাসী, চাহ জনগোষ্ঠী, টাই আহোম, মৰাণ, মটক, চুতিয়া আৰু কোচ ৰাজবংশী জনগোষ্ঠীক অনুসূচিত জনজাতিৰ কেন্দ্ৰীয় তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনাই কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ নিৰ্বাচনৰ বাবে জিলা আৰু শাখা সাহিত্য সভালৈ প্ৰেৰণ কৰা বেলট কাকতসমূহত ভোটদান হোৱাৰ পাছত কোনো কোনো ঠাইত এই বেলট কাকত সংগ্ৰহ কৰিবলৈ দুষ্ট চক্ৰই অভিযান চলোৱা বুলি একাংশ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি সন্দৰ্ভত আজি সভাই স্থিতি স্পষ্ট কৰে। অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাই এটা বিবৃতি যোগে কয় যে, সভাৰ শাখা বা জিলাই ভোটদান

কৰা বেলট কাকত সংগ্ৰহ কৰিবলৈ অসম সাহিত্য সভাৰ নিৰ্বাচনী কমিটীৰ পৰা কোনো ব্যক্তিক নিয়োগ কৰা হোৱা নাই। সেয়েহে, ভোটদান কৰা বেলট কাকতসমূহ কোনো ব্যক্তি বা বিষয়ববীয়াৰ হাতত জমা নিদি পোনে পোনে স্থানীয় এলেকাৰ ডাকঘৰৰ যোগেদিহে প্ৰেৰণ কৰাৰ বাবে আহ্বান জনোৱা হৈছে।

000000

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ৰাজহ বিভাগৰ উদ্যোগত আজি ডিফুৰ সমীপৰ তাৰালাংছ'ত কেইবাটাও পৰিষদীয় সমষ্টিৰ লোকক বিনামূলীয়াকৈ মাটিৰ পট্টা বিতৰণ কৰা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া তুলিৰাম ৰংহাঙে লুম্বাজং, ধনশিৰি আৰু বৰজানকে ধৰি চাৰিটা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ৪০ হাজাৰ খিলঞ্জীয়া ভূমিহীন লোকক মাটিৰ পট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। শ্ৰীৰংহাঙে কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ ৩ লাখ খিলঞ্জীয়া লোকক বিনামূলীয়াকৈ মাটিৰ পট্টা প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে। কাৰ্বি আংলং জিলাৰ খিলঞ্জীয়া লোকক ভূমিৰ অধিকাৰ দিবলৈ পৰিষদখনে **পুৰথিমি আকেমাং** শীৰ্ষক এখন আঁচনি মুকলি কৰিছে। এই আঁচনিখনৰ জৰিয়তে জিলাখনৰ পাঁচোটা বিধানসভা সমষ্টিত স্থায়ীভাৱে বসবাস কৰা লোকক মাটিৰ পট্টা দিয়া হ'ব।

000000

গুৱাহাটীত আজিৰেপৰা উত্তৰ-পূব দিব্যাংগ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ভাৰতীয় পেৰালিম্পিক সমিতিৰ অধীনত আৰু অসম পেৰালিম্পিক সংস্থাৰ সহযোগত আয়োজিত এই প্ৰতিযোগিতা অহা ২৯ নৱেম্বৰলৈ চলিব। আজি মন্ত্ৰী পীযুষ হাজৰিকাই এই ক্ৰীড়া প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে মুকলি কৰে। ক্ৰীড়া প্ৰতিযোগিতা উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূবৰ ছখন ৰাজ্যৰ চাৰে ৫০০ৰো অধিক প্ৰতিযোগীয়ে অংশ লোৱা এই কাৰ্যসূচীৰ সফলতা কামনা কৰে। উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ খেলসমূহ কাইলৈ পুৱা ৮ বজাত আৰম্ভ হ'ব।

এই সমাৰোহত এথলেটিকছ, সাঁতোৰ, বেডমিণ্টন আৰু টেবুল টেনিছ অনুষ্ঠিত হ'ব। এথলেটিকছত ১০০ মিটাৰ, ১৫০০ মিটাৰ দৌৰৰ লগতে শ্বটপুট, ডিছকাছ থ্ৰো আৰু লং জাম্প অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, সাঁতোৰত ৫০ মিটাৰ আৰু ১০০ মিটাৰ ফ্ৰী ষ্টাইল, ৫০ মিটাৰ আৰু ১০০ মিটাৰ বেকষ্ট্ৰোকৰ লগতে ৫০ আৰু ১০০ মিটাৰ ব্ৰেষ্টষ্ট্ৰোক অন্তৰ্ভুক্ত কৰা হৈছে। ১০০ মিটাৰ বাটাৰ ফ্লাই আৰু ৪ ইণ্টু ১০০ মিটাৰ ফ্ৰী ষ্টাইল ৰীলেও এই প্ৰতিযোগিতাত অন্তৰ্ভুক্ত কৰা হৈছে।

000000

অৰুণাচল প্ৰদেশৰ পৰশুৰাম কুণ্ডত কোবাল সোঁতে যোৱা দেওবাৰে উটুৱাই লৈ যোৱা উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ প্ৰধান মুখ্য নিৰাপত্তা বিষয়া শুভেন্দু কুমাৰ চৌধুৰীৰ মৃতদেহ আজি উদ্ধাৰ কৰা হয়। সন্ধানহীন বিষয়াগৰাকীৰ সন্ধানত বিগত চাৰিদিন ধৰি অভিযান চলোৱাৰ পাছত আজি নদীখনৰ নামনিৰ দিশে তেওঁৰ মৃতদেহ উদ্ধাৰ কৰা হয়। উত্তৰ-পূৰ সীমান্ত ৰে'লৱে এই ঘটনাত গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে বিষয়াগৰাকীৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

000000

**সমাপ্ত**